# বিদেশ আৰু প্ৰবাসী ভাৰতীয় বিষয়ক মন্ত্ৰীৰ ওমান চুলটানচাহীলৈ  চৰকাৰী ভ্ৰমণত

১৬ ফেব্ৰুৱাৰী ২০১৫

ওমানৰ সমমৰ্যাদৰ মন্ত্ৰী সন্মানীয় মি:ইউচুফ বিন আলওৱাই বিন আবদুল্লাৰ আমন্ত্ৰনত বিদেশ তথা প্ৰবাসী ভাৰতীয় বিষয়ক মন্ত্ৰী মাননীয় শ্ৰী মতী সুষমা স্বৰাজ ১৭-১৮ ফেব্ৰুৱাৰী ২০১৫ তাৰিখলৈ ওমান চুলটানচাহীত তেওঁৰ প্ৰথমটো দ্বিপাক্ষীক চৰকাৰী ভ্ৰমণত যায় ।ওমানৰ মন্ত্ৰী বিদেশ বিষয়ৰ ভাৰপ্ৰাপ্ত আৰু তেওঁ ২০১৪ চনৰ ফেব্ৰুৱাৰী আৰু জুন মাহত ভাৰত ভ্ৰমণ কৰে ।

আৰ্থিক আৰু সাংস্কৃতিক বিনিময় আৰু বিস্তৃত জনসাধাৰনৰ সৈতে জনসাধাৰনৰ সম্পৰ্কৰ ভিত্তিত ভাৰত আৰু ওমানৰ এক নিবিৰ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক বৰ্তী আছে ।উপসাগৰীয় অঞ্চলত ওমান ভাৰতৰ এক গুৰুত্বপূৰ্ণ বাণিজ্যিক অংশীদাৰ আৰু ২০১৩-১৪ চনৰ দ্বিপাক্ষীক বাণিজ্য ৫.৭ বিলিয়ন আমেৰিকান ডলাৰ অতিক্ৰম কৰিছিল ।ওমানৰ প্ৰগতি আৰু উন্নয়নৰ ক্ষেত্ৰত ৭০০,০০০ কৰ্মৰত দেশৰ পৰা যোৱা ভাৰতীয় নাগৰিকৰ প্ৰশংসিত আৰু বিশেষভাৱে স্বিকৃত অবদান সুদৃঢ় আৰু পাৰস্পৰিকভাৱে উপকৃত দ্বিপাক্ষীক সম্পৰ্কৰ ভেটি ।

আগুন্তুক ভ্ৰমণ কালত দুয়োপক্ষই দ্বিপাক্ষীক ,আঞ্চলিক আৰু বিভিন্ন স্বাৰ্থৰ অন্যান্য বিষয়ৰ আলোচনা কৰিব ।৭০ লাখ ভাৰতীয় লোকে বসবাস কৰা উপসাগৰীয় অঞ্চলৰ নিৰাপত্তা আৰু স্থায়ীত্বৰ বিষয়ে ভাৰতৰ গুৰুত্বপূৰ্ণ স্বাৰ্থ জড়িত হৈ আছে ।ভাৰতৰ প্ৰয়োজনীয় তেলৰ চাহিদাৰ দুই-তৃতীয়াংশৰ উতস এই উপসাগৰীয় অঞ্চলৰ দেশসমুহ । ভাৰতৰ বৃহত্তম আঞ্চলিক

বাণিজ্য ব্লকৰ স্থান এই অঞ্চল,যাৰ পৰিমাণ ভাৰতৰ বিশ্ববাণিজ্যৰ এক চতুৰ্থাংশ ।

নতুন দিল্লী

১৬ ফেব্ৰুৱাৰী ২০১৫